# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-10-2025
**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

0000000

১। বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ।

২। নতুন বিটিচি চৰকাৰৰ উন্নয়নমুখী যাত্ৰাত অসম চৰকাৰে সকলো ধৰণৰ সমৰ্থন আগবঢ়াব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশ্বাস।

৩। ৰাজ্যৰ বিভিন্ন ঠাইত আজিও জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান।

৪। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড° মোহন যাদবৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰি বন্যপ্ৰাণী সংৰক্ষণ ব্যৱস্থাৰ প্ৰশংসা।

*আৰু*

৫। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তানৰ টছট জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰন।

0000000

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্যসচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই তেওঁক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়।

*(শপতগ্ৰহণ ঃ মহিলাৰী)*

কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, ইউ পি পি এলৰ নেতা তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত লয়। ৰিহন দৈমাৰীয়ে উপ-মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰে। শ্ৰীমহিলাৰীয়ে শপতগ্ৰহণৰ পাছত অনুষ্ঠানত ভাষণ দি বড়োলেণ্ডৰ সৰ্বাংগীন বিকাশ আৰু জনসাধাৰণৰ কল্যানৰ বাবে তেওঁ সদায় কাম কৰি যাব বুলি উল্লেখ কৰে। তেওঁ এইক্ষেত্ৰত অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহযোগিতা কামনা কৰে।

*(বাইট ঃ মহিলাৰী)*

অনুষ্ঠানত অংশলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য কাৰ্যবাহী সহস্য হিচাপে শপতগ্ৰহণ কৰা হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ নেতৃত্বৰ কাৰ্যবাহী সদস্যসকললৈ অভিনন্দন জনায়। ড° শৰ্মাই বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ উজ্জীৱিত বড়োভূমিৰ সপোন পূৰণৰ দিশেৰে প্ৰতিগৰাকী নেতাই উৎসৰ্গিত মনোভাবেৰে জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসম চৰকাৰে এই ক্ষেত্ৰত নতুন বিটিচি

চৰকাৰক সকলো ধৰণৰ সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে। ডঃ শৰ্মাই বিটিআৰক জাতি-উপজাতিৰ মিলনভূমি বুলি উল্লেখ কৰি এই লোকসকলৰ মাজত সমন্বয় বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সামাজিক মাধ্যমযোগে বিপিএফৰ মুৰববীগৰাকীক শুভেচ্ছা জনায়। এটা বাৰ্তাত তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ দৰ্শন বাস্তবায়িত কৰা আৰু সকলো ধৰণৰ বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে বিটিচি চৰকাৰক সমৰ্থন আগবঢ়াই যাব।

০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত কাইলৈৰ পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

**বজালী** জিলাৰ ভোটান্ত সাদেৰীত কাইলৈৰ পৰা ১৪ অক্টোবৰলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ভোটান্ত সাদেৰী শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ খেলপথাৰ আৰু শ্বহীদ ৰাউটা মদন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

**চিৰাং** জিলাৰ বিজনীৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা মহোৎসৱ কাইলৈৰ পৰা ১৪ দিনীয়া কাৰ্যসূচীৰে ৰজা বিজিত নাৰায়ণ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি বিজনী চহৰৰ ঐতিহাসিক শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলাখন পৰিচালনাৰ বাবে বিভিন্ন উপসমিতি গঠন কৰা হৈছে। এই মহোৎসৱৰ সময়ছোৱাত বিজনী লক্ষ্মী মন্দিৰ চৌহদ, বিজনী ছোৱালী হাইস্কুল খেলপথাৰ, জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰ, জাকিৰ হুছেইন হাইস্কুল আৰু বিজনী হলী চাইল্ড স্কুলৰ খেলপথাৰসহ চহৰখনৰ ৰাজহুৱা স্থানসমূহত বিভিন্ন প্ৰদৰ্শনী, বাণিজ্য মেলাৰ উপৰি কেইবাটাও ভ্ৰাম্যমান থিয়েটাৰ দলে নাট প্ৰদৰ্শন কৰিব।

শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে পূজা কমিটীয়ে ৭ অক্টোবৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ পুৱা পূজা কমিটীৰ সভাপতি ধনঞ্জয় ৰায়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ লগতে সন্ধিয়ালৈ মেলা মহোৎসৱখনিৰ শুভাৰম্ভ কৰিব।

০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আজিও জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় জিলাৰ চৌকিদিঙি খেলপথাৰত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত জাতি-ধৰ্ম নিৰ্বিশেষে অগণন লোকৰ সমাগম হয়। জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চই আয়োজন কৰা প্ৰিয় শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নাম প্ৰসংগ, ভাগৱত পাঠ, কোৰাণ পাঠ আদিৰ উপৰি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় কামনা কৰি সমূহীয়া প্ৰাৰ্থনা কৰা হয়। সন্ধিয়াৰ ভাগত চৌকিদিঙি খেলপথাৰত এহেজাৰ বন্তি প্ৰজ্বলন কৰা হয়।

**শিৱসাগৰ** জিলাতো আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। শিৱসাগৰবাসীৰ উদ্যোগত নগৰৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰাৰ্থনাসভাত বিভিন্ন ধৰ্মৰ পুৰোহিতসকলে শিল্পীগৰাকীৰ বাবে প্ৰাৰ্থনা কৰে।

**ঢেকীয়াজুলীত** সদৌ অসম ছাত্ৰসন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহুকেইটা দল-সংগঠনৰ সহযোগত ছহিদ মৈদানত শিল্পীগৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত গীতা পাঠ, সৰ্বধৰ্ম প্ৰাৰ্থনা, দিহানাম আদি পৰিৱেশন কৰাৰ লগতে ভূটানৰ পৰা অহা বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে শিল্পী জুবিন গাৰ্গৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

**হোজাই** জিলাৰ ১ নম্বৰ কাকী খেলপথাৰত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। কাকী কেন্দ্ৰীয় গামখাৰু ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান, ছাত্ৰ সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত জুবিন গাৰ্গৰ স্মৃতিত নাহৰ পুলি ৰোপণ, শিল্পীগৰাকীৰ প্ৰতিকৃতি নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে নাম-প্ৰসংগ আৰু সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৰেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৰেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ডঃ মোহন যাদবে আজি পৰিয়ালৰ সৈতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চল পৰিদৰ্শন কৰে। তেওঁ ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণৰ সময়ত গড়, হাতী, হৰিণকে ধৰি অন্যান্য বন্যপ্ৰাণীসমূহ দেখি অভিভূত হৈ পৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বন বিভাগৰ হাতীক খাদ্য খুৱায়। শ্ৰীযাদবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী আৰু বনাঞ্চল সংৰক্ষণ ব্যৱস্থাৰ প্ৰশংসা কৰি কয়, যে এই ব্যৱস্থাৰ পৰা শিকিবলগীয়া বহু দিশ আছে। তেওঁ লগতে মধ্যপ্ৰদেশৰ বনাঞ্চল আৰু কাজিৰঙাৰ মাজত বন্যপ্ৰাণী বিনিময় সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিব বুলি প্ৰকাশ কৰে।

*(বাইট ঃ যাদব)*

0000000

ৰাজ্যৰ বহু ঠাইত ধুমুহা-বৰষুণৰ ফলত ক্ষয়-ক্ষতিৰ বাতৰি আমালৈ আহিছে। গোৱালপাৰা জিলাত প্ৰতিকূল বতৰে জনজীৱন ব্যাহত কৰাৰ উপৰি বহু ঠাইত কৃত্ৰিম বানৰ সৃষ্টি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি বিয়লিৰভাগত অহা ধুমুহাৰ ফলত গোৱালপাৰা চহৰত গছ আৰু ফলক ভাঙি পৰি বহুকেইখন বাহন ক্ষতিগ্ৰস্ত হয়। মানকাচৰ জিলাতো নেৰানেপেৰা বৰষুণৰ ফলত খাৰুৱাবান্ধা আৰক্ষী চকী কৃত্ৰিম বানৰ কবলত পৰে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানতো বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হয়।

0000000

বৰ্তমান ৰাজ্যৰ এটা প্ৰধান সমস্যা হৈছে, বান্দৰ বিভীষিকা। উজনিৰ পৰা নামনিলৈ চহৰ-নগৰ সকলোতে বান্দৰৰ উপদ্ৰৱে জনতাক ত্ৰাহি মধুসুদন সোঁৱৰাইছে। কপিকূলে খেতি তহিলং কৰাৰ ফলস্বৰূপে জনতাৰ অৰ্থনীতিও বিপৰ্যস্ত হৈছে। বিভিন্ন সময়ত ৰাইজে চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰিছে যদিও এই পৰ্যন্ত সুফল লাভ কৰা নাই। এই সমস্যা সম্পৰ্কে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত বিশেষভাৱে

আলোকপাত কৰা হ'ব। অনুষ্ঠানত যোৰহাট, নগাঁও আৰু বজালী জিলাৰ ভুক্তভোগীয়ে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

৭১ সংখ্যক বিশ্ব বন্যপ্ৰাণী সপ্তাহ উপলক্ষে আজি পবিতৰা অভয়াৰন্যত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আৰণ্যক নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে আয়োজন কৰা চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাত মায়ঙৰ পাঁচখন বিদ্যালয়ৰ ৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, প্ৰতিবছৰে বন বিভাগে ২ৰ পৰা ৮ অক্টোবৰলৈ বিশ্ব বন্যপ্ৰাণী সপ্তাহ উপলক্ষে বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু এই ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে।

0000000

শ্ৰীভূমি জিলাৰ বজাৰিছড়াৰ চুৰাইবাড়ীত আজি বহু পৰিমাণৰ নিচাজাতীয় কফ ছিৰাপ জব্দ কৰা হৈছে। এই নিচাজাতীয় সামগ্ৰীখিনি পশ্চিমবংগৰ পৰা ত্ৰিপুৰালৈ এখন বাহনেৰে লৈ গৈ থকা সময়ত অসম-ত্ৰিপুৰা সীমান্তৰ চুৰাইবাড়ী চেক পোষ্টত আৰক্ষীয়ে জব্দ কৰে। ১৪৪টা কাৰ্টনত জব্দ কৰা মুঠ ২১ হাজাৰ ৬০০ বটল কফ ছিৰাপৰ মূল্য প্ৰায় ২ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে বাহনখনৰ চালকজনক আটক কৰে।

0000000

যোৰহাট জিলাৰ আয়ুক্তই আজি টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত বাহনা হাইস্কুলত অনুষ্ঠিত হ'বলগীয়া মেগা স্বাস্থ্য শিৱিৰৰ স্থান পৰিদৰ্শন কৰি ইয়াৰ প্ৰস্তুতিৰ বিভিন্ন দিশ সন্দৰ্ভত বুজ লয়। এই পৰিদৰ্শন কালত আয়ুক্তগৰাকীৰ সৈতে টীয়ক আৰু মৰিয়নীৰ সম জিলাৰ আয়ুক্তদ্বয়, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, অহা ১১ অক্টোবৰত তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পদ্মৰাম শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ১৬ অক্টোবৰত যোৰহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত কাকজান চৰকাৰী উচ্চতৰ মাধ্যমাধিক বালিকা বিদ্যালয়ত মেগা স্বাস্থ্য শিৱিৰ অনুষ্ঠিত হ'ব।

0000000

ধেমাজি জিলা বন বিভাগ আৰু অসম বন সুৰক্ষা বাহিনীৰ এটা দলে আজি অভিযান চলাই জীয়াধল সংৰক্ষিত বনাঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ মূল্যৱান খয়েৰ কাঠ জব্দ কৰে। বনাঞ্চলখনৰ খয়েৰ গছ কাটি অবৈধভাৱে সৰবৰাহ কৰিবলৈ লোৱাৰ সময়তে কাঠভৰ্তি বাহনখনৰ লগতে দুজন লোকক আটক কৰে।

0000000

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত  আজি ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পাকিস্তানে টছ্‌ট জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। আমালৈ বাতৰি অহা পৰলৈকে ভাৰতে ৪৬ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৩ ৰান কৰি খেলি আছে। ভাৰতৰ হৈ হাৰলিন দেউলে ৪৬ ৰান কৰি আউট হয়। পাকিস্তানৰ ডাইনা বেগ আৰু ফাতিমা চানাই দুটাকৈ উইকেট দখল কৰে।

0000000

ৰাজ্যত প্ৰথমবাৰৰ বাবে কাইলৈৰ পৰা বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। কামৰূপ জিলাৰ আমিনগাঁৱত হ'বলগীয়া এই প্ৰতিযোগিতাত ৪৩ খন দেশৰ ৪৫২ গৰাকী খেলুৱৈয়ে অংশ ল'ব। প্ৰতিযোগিতাৰ বাবে ইতিমধ্যে ৯ খন বেডমিণ্টন কোৰ্ট সাজু কৰি তোলা হৈছে বুলি আয়োজক সমিতিয়ে প্ৰকাশ কৰিছে। অহা ১৯ ছেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**